بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# ঈদুল ফিতৰৰ খোতবা

## কেৱল বেয়াৰ পৰা আঁতৰি থকাটোৱেই তাকওৱা নহয়, বৰঞ্চ সৎ কাম সম্পাদন কৰি সেয়া অব্যাহত ৰখাটোৱেই হৈছে প্ৰকৃত তাকওৱা।

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩১ মাৰ্চ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা ঈদুল ফিতৰৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, কালি ৰমজানৰ অন্ত পৰিল আৰু আজি আমি আল্লাহৰ কৃপাত ঈদুল ফিতৰ উদযাপন কৰি আছো। আনন্দৰ দিন এই কাৰণেই যে ৰমজান মাহত আমি যি পুণ্য কাম কৰিছোঁ সেই পুণ্য জাৰি ৰখাৰ বাবে আমি অংগীকাৰ আৰু সত্যায়ন কৰিছোঁ। এনেদৰেই প্ৰকৃত আনন্দ উদযাপন কৰা হওঁক। এই ঈদ কেৱল আনন্দ উদযাপন কৰাৰ দিন নহয়, বৰঞ্চ এইটো অংগীকাৰ কৰাৰ দিন যে এতিয়া আমি এই সকলোবোৰ পুণ্য জাৰি ৰাখিম। যদি এনেকুৱা হয়, তেন্তে সেয়াই হ'ব আমাৰ বাবে প্ৰকৃত ঈদ।

কেৱল বেয়াৰ পৰা আঁতৰি থকাটোৱেই তাকওৱা নহয়, বৰঞ্চ সজ কাম সম্পাদন কৰি সেয়া অব্যাহত ৰখাটোৱেই হৈছে প্ৰকৃত তাকওৱা। আজি আমি এই অংগীকাৰ কৰো যে আল্লাহৰ অধিকাৰ আৰু বান্দাসকলৰ অধিকাৰ দৃঢ়ভাৱে সদায় প্ৰতিষ্ঠিত ৰাখিম।

ঈদ কেৱল খোৱা-বোৱা, খেল-ধেমালি বা নতুন কাপোৰ পৰিধান কৰাৰ নাম নহয়, বৰঞ্চ ঈদ আমাক এই কথা ভাৱিবলৈ শিকায় যে ভৱিষ্যতে আমি পুণ্য কাম জাৰি ৰাখিম আৰু বেয়াৰ পৰা আঁতৰি থাকিম। আজি ঈদ উদযাপন কৰাৰ পিছত যদি আমি ৰমজানৰ আগৰ অৱস্থালৈ

ঘূৰি যাওঁ আৰু আমাৰ খোজ উন্নতিৰ ফালে আগবাঢ়ি নাযায়, তেন্তে এয়া হৈছে মোমিনসকলৰ মৰ্যাদাৰ পৰিপন্থী। মোমিনসকলৰ মৰ্যাদা হৈছে, তেওঁলোকে সজ কাম সম্পাদন কৰিবলৈ ধাৰাবাহিভাৱে আগবাঢ়ি যাব।

আজিৰ দিনা আমি নিজৰে পৰ্যাবেক্ষণ কৰা উচিত যে আজি আমি এই অংগীকাৰৰ ওপৰত দায়বদ্ধভাৱে সাজু আছো নে ? আমি আল্লাহ্ তা'লাৰ সৈতে কৰা অংগীকাৰ সঁচাকৈয়ে পূৰণ কৰাৰ চেষ্টাত নিমগ্ন আছো নে ? প্ৰকৃততে ঈদুল ফিতৰে আমাক এই দৃশ্য দেখোৱা উচিত যে এমাহৰ ৰোজাৰ জৰিয়তে আমি খোদাৰ নৈকট্য লাভ কৰিব পাৰিছো নে ? যদি খোদাৰ নৈকট্য লাভ কৰিব পাৰিছোঁ, তেন্তে পুণ্য কামত অধিক উন্নতি লাভ কৰা উচিত।

ঈদৰ দিন কেৱল আনন্দ উদযাপন কৰাৰ দিন নহয়, বৰঞ্চ এই দিন হৈছে খোদাৰ উপাসনাৰ প্ৰতি বিশেষ গুৰুত্ব দিয়াৰ দিন। এই দিনত আন আন দিনতকৈ অধিক ফৰজ নামাজ আদায় কৰা উচিত। আন আন দিনত আমাৰ ওপৰত পাঁচ নামাজ ফৰজ, কিন্তু ঈদৰ দিনা আমাৰ ওপৰত ছয় ওৱাক্ত নামাজ ফৰজ হৈ যায়। গতিকে এই দিন উপাসনা কৰাৰ এক বিশেষ দিন। সেয়েহে এই কথা আমি সদায় মনত ৰখা উচিত।

যদি আমি খোদাৰ নৈকট্য লাভ কৰিব পৰা নাই, তেন্তে সেইজনাৰ উপাসনাৰ অধিকাৰ আদায় কৰিব পৰা নাই, বান্দাসকলৰ অধিকাৰো আদায় কৰিব পৰা নাই। যদি আমি খোদা তা'লাৰ সান্নিধ্য লাভ কৰিব পৰা নাই, তেন্তে কেৱল আনন্দ উদযাপন কৰাটোৱে ঈদৰ উদ্দেশ্য নহয়। ভৃত্যসকলৰ অধিকাৰ পালন কৰা অতি প্ৰয়োজনীয়, এইটোও এক প্ৰকাৰ উপাসনা। এনেকুৱা ব্যক্তি যিয়ে খোদাৰ সান্নিধ্য লাভ কৰিব পৰা নাই, হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে তেওঁৰ উদাহৰণ এনেকুৱা পাগলৰ সৈতে দিছে, যিয়ে হীৰা আৰু ৰত্ন চিনিয়ে নাপায়, তেওঁ কাঁচৰ টুকুৰাক হীৰা বুলি গণ্য কৰে। মানুহৰ যেতিয়া খোদাৰ সৈতে বিশেষ সম্পৰ্ক গঢ়ি উঠে, তেতিয়াহে তেওঁ খোদাক চিনি পায়, তেতিয়াহে আল্লাহ তা'লাই তেওঁক পছন্দ কৰে আৰু নিজৰ পৰিচয় আৰু জ্ঞান প্ৰদান কৰে।

আঁহজৰত (ছাঃ)য়ে কৈছে যে এজন মাতৃ যেতিয়া নিজৰ হেৰাই যোৱা সন্তানক পাই যায় তেতিয়া তাই কিমান আনন্দিত হয়, এনেদৰে খোদা তা'লাৰ নিজৰ বান্দাই খোদাৰ ফালে উভতি যোৱাৰ ফলত তাতোকৈ অধিক আনন্দ হয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ঈদৰ দিন যদিও কল্যাণময় দিন, কিন্তু তাতোকৈ অধিক কল্যাণময় এটা দিন আছে, সেই দিন হৈছে মানুহৰ তৌবাৰ দিন। এই দিন জুমা আৰু ঈদৰ দিনতকৈ অধিক আনন্দৰ দিন।

কৈছে প্ৰকৃত তৌবা আৰু প্ৰকৃত বিশুদ্ধতাৰ বাবে পৱিত্ৰতাৰ চৰ্ত আছে, প্ৰত্যেক ধৰণৰ লেতেৰা আৰু আৱৰ্জনাৰ পৰা পৃথক হৈ থকাটো চৰ্ত আছে, অন্যথা কেৱল তৌবা আৰু শব্দৰ

স্বীকাৰোক্তি একো লাভ নাই। এই দিন ইমানেই কল্যাণময় যে য'ত মানুহে নিজৰ কু-কৰ্মৰ পৰা তৌবা কৰে, আল্লাহৰ সৈতে প্ৰকৃত অংগীকাৰ কৰে আৰু সেইজনাৰ আজ্ঞা পালন কৰাৰ বাবে নত হয়, এনে ক্ষেত্ৰত কোনো সন্দেহ নাই যে তেওঁ গোপনে কৰা কু-কৰ্মৰ ফলত শাস্তিৰ পৰা ৰক্ষা পাব। এনে পৰিস্থিতিত তেওঁ সেই বস্তু লাভ কৰে, যাৰ তেওঁ আশা কৰায়েই নাছিল।

জগতখন আজি ইমানেই লেতেৰা হৈ পৰিছে যে এনে সময়ত যদি এজন মোমিন আল্লাহৰ স্বাৰ্থত ৰোজা ৰাখে আৰু সেইজনাৰ সান্নিধ্য লাভ কৰাৰ চেষ্টা কৰে, তেতিয়া আল্লাহ তা'লাই ইয়াৰ প্ৰতিদান অধিক পৰিমাণে বৃদ্ধি কৰে। যেতিয়া আমি এই কথাবোৰৰ ওপৰত চলাৰ চেষ্টা কৰিম, তেতিয়া আমি আৰু আমাৰ বংশধৰসকলে ঈদৰ প্ৰকৃত আনন্দ উপভোগ কৰিব পাৰিম। এয়াই হৈছে ঈদৰ মূল উদ্দেশ্য।

আমি ৰমজান মাহত যি সজ কাম সম্পাদন কৰাৰ চেষ্টা কৰিছোঁ, সেই পুণ্য কাম খোদা তা'লাই অব্যাহত ৰখাৰ ক্ষমতা দান কৰক। ৰমজান মাহত যদি আমি তাৰাবীহ বা তাহাজ্জুদৰ বাবে মছজিদলৈ গৈছিলোঁ, সেই নফল যেন নিজৰ ঘৰতে কিছু পৰিমাণে আদায় কৰিব পাৰো, আল্লাহ তা'লাই আমাক ভৃত্যসকলৰ অধিকাৰ পালনকাৰী, এজনে আনজনৰ অধিকাৰ পালনকাৰী বনাওক। আল্লাহ তা'লাই আমাৰ মাজত পৱিত্ৰ পৰিৱৰ্তন সৃষ্টি কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি কৈছে যে দোৱা অব্যাহত ৰাখিব, আল্লাহ তা'লা সকলো আহমদীক নিজৰ দয়াৰ চাদৰেৰে ঢাকি ৰাখক, বহু ঠাইত আহমদী সকলক কোনো কাৰণ নোহোৱাকৈ নামধাৰী আইনে কৰায়ত্ব কৰি ৰাখিছে, যেনে পাকিস্তানত, স্বাধীনভাৱে ধৰ্ম পালন কৰি নামাজে ঈদ আদায় কৰিব নিদিয়ে। আল্লাহ তা'লা তেওঁলোকক প্ৰকৃত ঈদ উদযাপন কৰাৰ সুযোগ প্ৰদান কৰক, খোদাৰ সান্নিধ্য লাভকাৰী বনাওক আৰু ঈদৰ বাহ্যিক আনন্দ উপভোগ কৰাৰ সৌভাগ্য প্ৰদান কৰক। আল্লাহ তা'লা তেওঁলোকৰ অসুবিধাসমূহ আঁতৰ কৰক।

আজি বৰ ভীতি অৱস্থাত তেওঁলোকে ঈদৰ নামাজ পঢ়ি আছে, সময় পৰিৱৰ্তন কৰি আৰু ঠাই পৰিৱৰ্তন কৰি নামাজ আদায় কৰি আছে। কৰাচী আৰু আন আন কিছুমান ঠাইত নামাজ পঢ়িবলৈ বাধা দিয়া হৈছে, মছজিদত বিৰোধীসকলে আক্ৰমণো কৰিছে। আইন শৃংখলা বাহিনীৰ এনে অৱস্থা যে সেই আক্ৰমণ বাধা দিয়াৰ পৰিৱৰ্তে আমাৰ মছজিদত তলা লগাই দিছে। আল্লাহ তা'লা অতি সোনকালে বিৰোধীসকলক কৰায়ত্ব কৰাৰ উপায় উলিয়াওক। আমীন-

অসুস্থসকলৰ বাবে দোৱা কৰিব, আল্লাহ তা'লা সকলো ৰোগীক আৰোগ্য দান কৰক। মানৱতা, ইছলাম আৰু জামাতৰ স্বাৰ্থত আৰ্থিক কোৰবাণী তথা সকলো ধৰণৰ কোৰবাণী কৰা সকলৰ ওপৰত আল্লাহ তা'লাই নিজৰ কৃপা বৰ্ষণ কৰক। আমীন-

শ্বহীদসকলৰ ল'ৰা-ছোৱালী, কাৰাগাৰত থকা সকলৰ বাবে, জীৱন বিসৰ্জন দিয়া সকলৰ

বাবে আৰু সাধাৰণতে মুছলমান উম্মতৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা মুছলমানসকলক বিবেক-বুদ্ধি আৰু বুজাৰ ক্ষমতা দান কৰক, যাতে তেওঁলোকে প্ৰকৃততে খোদাক চিনি পাব পাৰে; আৰু এই যুগত হজৰত মছীহ মাওউদ (আঃ)ক গ্ৰহণ কৰি খোদাৰ সান্নিধ্য লাভ কৰি প্ৰকৃত ঈদ উদযাপন কৰিব পাৰে।

খোতবা ছানিয়াৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে বিশ্বৰ জামাতৰ আহমদীসকলক ঈদৰ কল্যাণৰ উপহাৰ দিয়ে। ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে মই কৈছিলো পাকিস্তানৰ লোকসকলৰ বাবে দোৱা কৰিব, তাতে অৱস্থা বৰ সংকটজনক। আল্লাহ তা'লা তেওঁলোকৰ ওপৰত প্ৰকৃত অৰ্থত ঈদৰ কল্যাণ বৰ্ষণ কৰক। তেওঁলোক সকলোকে ঈদ মোবাৰক। তেওঁলোকে ঘৰতে বহি আছে, বাহ্যিকভাৱে অৱস্থা নিৰাশাজনক। তেওঁলোকে চিন্তা কৰিব নালাগে। আল্লাহ তা'লা অতি সোনকালে এই অৱস্থা পৰিৱৰ্তন কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA EID-UL FITAR HUZUR ANWAR aba 31 MARCH 2025**

## BOOK POST (PRINTED MATTER)

TO,

.......................................................................................................................................

.......................................................................................................................................

.......................................................................................................................................

NASHOR-O-ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB